# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-SEP-2025
**Time :** 1800 HRS

# ***Assamese Evening Bulletin***

———————————————————

ৰাজ্যত কালি অহা ভূমিকম্পৰ প্ৰচণ্ড জোকাৰণিৰ পাছত কেইবা ঠাইতো প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা সংঘটিত হৈছে। হোজাইত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। লামডিং-লংকা সংযোগী ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছ টাৰ্ণিঙত ভূমিকম্পৰ ফলত পাহাৰৰ মাটি খহি চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এটা দিশ বন্ধ হৈ পৰে। ইয়াৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথটোৰ এটা অংশৰে যাতায়ত কৰিবলগীয়া হৈছে। বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ লোকসকলে পথচোৰা মুকলি কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। এই সন্দৰ্ভত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াই এইদৰে কয়-

**বাইট**

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ নৱনিৰ্মিত পৰীক্ষাগাৰ, ৰাষ্ট্ৰীয় বৈদ্যুতিন আৰু তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ, আই চি টি ব্যৱস্থাসম্পন্ন কম্পিউটাৰ লেব আৰু বহুমুখী শ্ৰেণীকোঠাসহ কেইবাটাও শৈক্ষিক আন্তঃগাঁথনি উদ্বোধন কৰে। আন্তঃগাঁথনিসমূহ উদ্বোধন কৰি মন্ত্ৰী ডাঃ পেগুৱে তেওঁৰ ভাষণত শিক্ষা নীতিৰ ভিত্তিত সংবৰ্ধিত এই শৈক্ষিক আন্তঃগাঁথনিয়ে শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। এই কাৰ্যসূচীত সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকে।

ooooo

নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি, দৈয়াং, গেলাবিল আদি উপনৈসমূহৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বাগৰিছে। সেয়ে সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট, মৰঙী, খুমটাই, দেৰগাঁও, সৰুপথাৰ আৰু বোকাখাত ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ জিলা প্ৰশাসনে সকিয়াই দিছে। জৰুৰীকালীন সময়ত উদ্ধাৰ কাৰ্যৰ বাবে ০৩৭৭৪-২৮৩২৮২ নম্বৰত যোগাযোগ কৰিবলৈ গোলাঘাট জিলা প্ৰশাসনে আহ্বান জনাইছে। উল্লেখযোগ্য যে ধনশিৰি নৈৰ বাঢ়নী পানীয়ে নুমলীগড়, খুমটাই, সৰুপথাৰ, গোলাঘাট আদি অঞ্চলৰ লগতে কুৰিখনৰো অধিক গাঁও জলমগ্ন কৰি তুলিছে।

ooooo

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ বমদিলা আৰু টাৱাং জিলাত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত পাহাৰীয়া নৈসমূহৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ভৈয়াম অঞ্চলত বানৰ সৃষ্টি হৈছে। শোণিতপুৰ জিলাৰ নদুৱাৰ

বিধানসভা সমষ্টিৰ চাৰিদুৱাৰৰ অন্তৰ্গত বাকোলা, বাকোলাপথাৰ, আমলগা, ভালুকমাৰী, বুঢ়াগাঁও, দলংবস্তিকে ধৰি কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। প্ৰথমবাৰৰ বাবে গামানি ছপালনা গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। আজি বিধয়াক পদ্ম হাজৰিকাই বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়।

০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত অহা ১৮ ছেপ্তেম্বৰত এটা বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰৰ প্ৰস্তুতি সম্পৰ্কত আজি লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাই লাহোৱাল প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আশা কৰ্মীসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে আজি ডিব্ৰুগড় মহানগৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চাহপাতৰ ন্যূনতম মূল্যৰ দাবীত ক্ষুদ্ৰ চাহ খেতিয়কসকলে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। আন কেইবাটাও সমস্যা সমাধানৰ দাবীৰে চাহ খেতিয়কসকলে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত জিলাখনৰ এহেজাৰৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০

অসম ভাৰোত্তোলন সন্থাই চলিত বৰ্ষৰ আন্তঃজিলা প্ৰতিযোগিতাখন তেজপুৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি অহা ১৮ ছেপ্তেম্বৰৰ পৰা ২১ ছেপ্তেম্বৰলৈ শোণিতপুৰ জিলা ভাৰোত্তোলন সন্থাই ৫৩ সংখ্যক ৰাজ্যিক প্ৰতিযোগিতাখন আয়োজন কৰিব। আয়োজক সমিতিয়ে অৱগত কৰা অনুসৰি অহা ১৮ ছেপ্তেম্বৰত খেলুৱৈৰ অন্তিম পঞ্জীয়ন হোৱাৰ পাছত ১৯ ছেপ্তেম্বৰৰ পৰা খেলসমূহ অনুষ্ঠিত হ'ব। সেইদিনা কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি কৰিব। চাৰিদিনীয়া প্ৰতিযোগিতাখনত চিনিয়ৰ পুৰুষ-মহিলাৰ লগতে যুৱ আৰু জুনিয়ৰৰ ল'ৰা-ছোৱালী উভয় শাখাৰ খেল অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিয়ে আজি জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত